# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 21-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

ৰাজ্যৰ সৌৰশক্তি উৎপাদনৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ অসম সৌৰশক্তি উৎপাদন প্ৰচাৰ নীতি ২০২৫ত অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। আজি দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ ৫০০ মেগাৱাট সৌৰশক্তি উৎপাদন তথা ৰাজ্যত ব্যক্তিগত আৰু ৰাজহুৱা বিনিয়োগক আকৰ্ষণ কৰি প্ৰায় ১৫ হাজাৰ নিয়োগ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। আজিৰ বৈঠকতে লাচিত বৰফুকন আৰক্ষীৰ একাডেমীৰ উন্নয়নৰ দ্বিতীয় পৰ্যায়ৰ বাবে ২২৯ কোটি ৪১ লাখ টকা ব্যয়ৰ প্ৰশাসনিক অনুমোদন জনায়। ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী ৰূপ দিয়াৰ বাবে চহৰখনত নতুন বিধায়িনী পৰিসৰ আৰু বিধায়ক আৱাস নিৰ্মাণৰ বাবে মন্ত্ৰীসভাই ২৮৪ কোটি ৩ লাখ টকা আবণ্টনত অনুমোদন জনায়। আজিৰ বৈঠকতে মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ খনিকৰ ষ্টেডিয়ামৰ আসনৰ সংখ্যা ৫ হাজাৰৰ পৰা ৩৫ হাজাৰলৈ বৃদ্ধি কৰি ইয়াক ৰাজ্যৰ সৰ্ববৃহৎ ষ্টেডিয়াম ৰূপে গঢ়ি তোলাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। খনিকৰ ক্ৰীড়া পৰিসৰ উন্নীতকৰণৰ বাবে মন্ত্ৰীসভাই ২০৯ কোটি ১৩ লাখ টকাৰ আবণ্টনতো আজি অনুমোদন জনায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অধীনৰ ৪৭ হাজাৰ ৩০৬ হেক্টৰ অঞ্চলৰ চূড়ান্ত অধিসূচনা প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনায়। এই সম্প্ৰসাৰণৰ অধীনত গোপালঝাৰণি, গোনাইটাপু, ঠুটেচাপৰি, জবৰে, বালিগাঁও, বিশ্বনাথ ঘাট, উমাটুমনি, গাখীৰখাইতী, শিলঘাট আৰু হাতীমূৰা গাঁওসমূহ অন্তৰ্ভুক্তি আওতাৰ বাহিৰত ৰখা হৈছে। আজিৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি অসম চাহ কোম্পানী লিমিটেডৰ চাহ শ্ৰমিকৰ বাবে অহা ১ অক্টোবৰৰ পৰা দৈনিক মজুৰি ২২০ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধি কৰাৰ কথা মুখ্যমন্ত্ৰী ড০ শৰ্মাই ঘোষণা কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বিভাগৰ উদ্যোগত আজি বৰপেটা ৰোডত জিলাখনৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশ সাধনৰ উদ্দেশ্যে এখন কৰ্মশালা অনুষ্ঠিত হয়। বৰপেটা ৰোড সাহিত্য সভা ভৱনত অনুষ্ঠিত কৰ্মশালাখনত এনে উদ্যোগৰ লগতে ব্যৱসায়িক ক্ষেত্ৰখনৰ সৈতে জড়িত প্ৰায় ৪০০ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সৈতে জড়িত সকলক তেওঁলোকৰ ব্যৱসায়ৰ পৰা সৰ্বোচ্চ লাভ কি দৰে কৰিব পাৰি, সামগ্ৰীৰ বিপণন আৰু বিক্ৰীৰ বাবে চৰকাৰে কেনেধৰণৰ নতুন ব্যৱস্থা গ্ৰহণ কৰিছে আৰু নিজৰ উদ্যোগটোক কেনেদৰে অধিক উন্নত কৰিব পাৰি আদি দিশবোৰৰ বিষয়ে সমল ব্যক্তিসকলে অৱগত কৰে। এই কৰ্মশালাতে দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে জাৰি কৰা নিৰ্দেশ অনুসৰি বৰাক নদীৰ ওপৰত থকা দলংখনত অত্যাৱশ্যকীয় মেৰামতিৰ বাবে ৬০ দিনলৈ সকলো ধৰণৰ যাতায়াত বন্ধ থাকিব। আজিৰে পৰা ২০ জুলাই পৰ্যন্ত মেৰামতি, দীৰ্ঘম্যাদী সুৰক্ষা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিকল্প পথ হিচাপে যানবাহনৰ বাবে ৰাণীফেৰা হৈ শিলচৰ কালাইন পথ মুকলি কৰা হৈছে। অৱশ্যে এই পথেৰে ৪০ টনতকৈ অধিক ওজনৰ মালবাহী যান-বাহন চলাচলত বাধা আৰোপ কৰা হৈছে। বহুলোকে বিকল্প ব্যৱস্থা হিচাপে কাটিগড়ৰ পৰা বদৰপুৰলৈ নাৱৰে বৰাক নৈ পাৰ হৈছে। কাটিগড়ৰ পৰা বদৰপুৰ সংযোগী এই দলংখনে বৰাক উপত্যকাৰ জনসাধাৰণৰ লগতে ত্ৰিপুৰা আৰু মিজোৰামৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

০০০০

মৰিগাওঁ জিলাৰ অতিৰিক্ত আয়ুক্ত নীতিশা বৰাই আজি আকস্মিকভাৱে মৰিগাওঁ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়খন পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলসমূহৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। পৰীক্ষাৰ ফলাফল চলিত বৰ্ষত ৪১ শতাংশলৈ হ্ৰাস পোৱা  বিষয়টোত তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰে। বিগত বৰ্ষত এই ফলাফল ৯৫ শতাংশ আছিল। অতিৰিক্ত আয়ুক্তগৰাকীয়ে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি আৰু শিক্ষকসকলৰ সক্ৰিয় অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰে।

০০০০

পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱাৰ ১৭৫ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰা হৈছে। অসম সাহিত্য সভাৰ উদ্যোগত আৰু কামৰূপ জিলা সাহিত্য সভাৰ সহযোগত গুৱাহাটীত এক শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি  হিচাপে অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° মালিনী গোস্বামীয়ে অংশ গ্ৰহণ কৰে।

গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত আয়োজিত কাৰ্যসূচীত নতুন দিল্লীৰ ভাৰতীয় সমাজ বিজ্ঞান অনুসন্ধান পৰিষদৰ সদস্য সচিব অধ্যাপক ধনঞ্জয় সিঙে পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে। সংস্কৃত ভাষাৰ পণ্ডিতগৰাকীৰ সন্মানাৰ্থে আজি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থাৰ উদ্যোগত আজি এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হয়। বজালী জিলাৰ পাঠশালাতো পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱাৰ জয়ন্তী উপলক্ষে আনন্দৰাম বৰুৱা একাডেমী নামৰ ব্যক্তিগত শিক্ষানুষ্ঠানত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড়তো মানকটা শাখা সাহিত্য সভাই পণ্ডিতগৰাকীৰ ওপজা দিনটো বিশেষভআৱে উদ্‌যাপন কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে-দেলহী কেপিটেলছক জয়ৰ বাবে ১৮১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।  টছত জিকি প্ৰথমে দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা  উইকেট হেৰুৱাই ১৮০ ৰাণ সংগ্ৰহ কৰে।

০০০০

সমাপ্ত